ৰাজনীতি

৬০ বছৰ পূৰ্বে দুই সন্তান নীতি থাকিলে হিমন্ত বিশ্ব শর্মাৰ জন্মই নহ'লহেঁতেন: ৰকিবুল হুছেইন

মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ দুই সন্তান নীতিক কটাক্ষ কৰি বিতর্কিত মন্তব্য কংগ্রেছ সাংসদ ৰকিবুল হুছেইনৰ।

প্রকাশ: ২১ নৱেম্বৰ ২০২৬, নিশা ৭:০৩



অসমৰ মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ দুই সন্তান নীতিক লৈ প্রশ্ন উত্থাপন কৰি বিতর্কিত মন্তব্য কৰিছে কংগ্রেছ সাংসদ ৰকিবুল হুছেইনে। ছয় দশক পূৰ্বে অসমত দুই সন্তান নীতি প্রযোজ্য হৈ থকা হ'লে বর্তমানৰ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ জন্মই নহ'লহেঁতেন বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

শনিবাৰে ৰাষ্ট্রীয় ছাত্র সন্থা (এনএছইউআই)-ৰ উদ্যোগত নৱনির্বাচিত মহাবিদ্যালয়ৰ ছাত্র প্রতিনিধিসকলৰ বাবে আয়োজিত এক সম্বর্ধনা অনুষ্ঠানত ভাষণ দি সাংসদগৰাকীয়ে এই মন্তব্য কৰে।

দুই সন্তানতকৈ অধিক সন্তান থকা ব্যক্তিয়ে পঞ্চায়ত নির্বাচনত সভাপতি পদৰ বাবে প্রতিদ্বন্দ্বিতা কৰাত বাধা দিয়াৰ বিষয়টো উত্থাপন কৰি ৰকিবুল হুছেইনে কয় যে বিধায়ক আৰু সাংসদসকলৰ ক্ষেত্রত এই নিয়ম প্রযোজ্য নহয়।

> "মোৰ আঠটা সন্তান থাকিলেও মই বিধানসভা নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিব পাৰিম।"

এইদৰে মন্তব্য কৰি সাংসদগৰাকীয়ে কিয় কেৱল তেওঁলোকৰ দলক লক্ষ্য কৰি লোৱা হৈছে বুলি প্ৰশ্ন তোলে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীক ব্যক্তিগতভাৱে কটাক্ষ কৰি কংগ্ৰেছ সাংসদগৰাকীয়ে কয় যে কেইজনমান লোকৰ পৰা তেওঁ শুনিবলৈ পাইছে যে হিমন্ত বিশ্ব শৰ্মা পৰিয়ালৰ চতুৰ্থ বা পঞ্চম সন্তান আছিল। অৱশ্যে এই তথ্য সন্দৰ্ভত তেওঁ নিজে নিশ্চিত নহয় বুলিও স্পষ্ট কৰে। সেই কথাৰ ভিত্তিতেই ৬০ বছৰ পূৰ্বে দুই সন্তানৰ নিয়ম প্ৰযোজ্য থকা হ'লে বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীৰ জন্মই নহ'লহেঁতেন বুলি তেওঁ মন্তব্য কৰে।

উক্ত অনুষ্ঠানত নৱনিৰ্বাচিত ছাত্ৰ প্ৰতিনিধিসকলক বৃহত্তৰ ৰাজনৈতিক লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ আহ্বান জনায় ৰকিবুল হুছেইনে। এনএছইউআইৰ জৰিয়তে ৰাজনীতিত আত্মপ্ৰকাশ কৰি ভৱিষ্যতে বিধায়ক, মন্ত্ৰী আৰু সাংসদ হোৱাৰ লক্ষ্য ল'বলৈ তেওঁ ছাত্ৰ নেতাসকলক পৰামৰ্শ দিয়ে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5017/rakibul-hussain-criticizes-himanta-biswa-sarma-two-child